নং ঃ ১৭৮/২০২০

## ডিব্ৰুগড়ত ব্যৱসায়ী সন্থা আৰু নাৰ্ছিং হোম কৰ্তৃপক্ষৰে আলোচনাত বহিল মুখ্যমন্ত্ৰী

## অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যৰ ওপৰত চোকা নজৰ ৰখাৰ নিৰ্দেশ প্ৰশাসন, যোগান বিভাগক

**দিছপুৰ, ১৫ এপ্ৰিলঃ** দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ৩ মে' পৰ্যন্ত বৃদ্ধি কৰা লক ডাউনৰ সময়চোৱাত কোনো অসাধু চক্ৰই যাতে অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধি কৰিব নোৱাৰে, তাৰ প্ৰতি চোকা দৃষ্টি ৰাখিবলৈ আজি ডিব্ৰুগড় জিলা প্ৰশাসন আৰু খাদ্য, অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা বিভাগক নিৰ্দেশ দিয়ে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে। ডিব্ৰুগড় জিলাত আজি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে ইষ্টাৰ্ণ চেম্বাৰচ অৱ কৰ্মাচ, আসাম চেম্বাৰচ অৱ কৰ্মাচ, ডিব্ৰুগড় ট্ৰেডাৰছ এচচিয়েছনকে ধৰি অত্যাৱশ্যকীয় সামগ্ৰী,শাক পাচলিৰ পাইকাৰী ব্যৱসায়ী সন্থা, এল পি জি বিতৰক সন্থাৰে জিলাখনত মজুত থকা অত্যাৱশ্যকীয় সামগ্ৰীৰ পৰিমাণ আৰু মূল্য নিয়ন্ত্ৰণ সন্দৰ্ভত এক আলোচনাত মিলিত হৈ এই নিৰ্দেশ দিয়ে । উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত সভাত তেওঁ লগতে ব্যৱসায়ী সন্থাসমূহকো এই জটিল সময়চোৱাত নিজ লাভালাভৰ কথা চিন্তা নকৰি মানৱ সেৱাৰ বাবে সংকল্পবদ্ধ হ'বলৈ আহ্বান জনাই কয় যে লক ডাউনৰ নিৰ্দেশাৱলী পালন কৰি চলা ৰাইজে, বিশেষকৈ দৰিদ্ৰ শ্ৰেণীটোৱে যাতে কোনো ধৰণৰ অসুবিধাৰ সন্মুখীন হবলগীয়া নহয়, তাৰ প্ৰতি লক্ষ্য ৰাখি অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্য নিয়ন্ত্ৰণত ৰখাৰ ওপৰত ব্যৱসায়ীসকলেও গুৰুত্ব আৰোপ কৰাতো জৰুৰী।

ইফালে আজিৰ সভাত মুখ্যমন্ত্ৰী সোণোৱালে কৰ'না ভাইৰাছৰ সংক্ৰমণ প্ৰতিৰোধৰ বাবে সামাজিক দূৰত্বসহ লক ডাউনৰ নিয়মাৱলী মানি চলাৰ বাহিৰে অন্য কোনো গতি নাই বুলি উল্লেখ কৰি সকলোকে অহা ৩ মে' পৰ্যন্ত বৃদ্ধি হোৱা লক ডাউন নিষ্ঠাসহকাৰে পালন কৰিবলৈ আহ্বান জনায় আৰু সকলোৱে যাতে এই নিয়মাৱলী মানি চলে তাৰ বাবে সকলো স্তৰতে পৰ্যাপ্ত সজাগতা সৃষ্টিৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। মুখ্যমন্ত্ৰী সোণোৱালে লগতে উল্লেখ কৰে যে দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সঠিক সময়ত সঠিক পদক্ষেপ গ্ৰহণ কৰাৰ বাবেহে দেশখন এতিয়ালৈকে কৰ'না ভাইৰাছৰ সংক্ৰমণৰ পৰা বহুখিনি সুৰক্ষিত অৱস্থাত আছে। ইফালে লক ডাউনৰ সময়চোৱাত ঘৰত থকা ৰাইজক তেওঁলোকৰ দুৱাৰদলিতে অত্যাৱশ্যকীয় সামগ্ৰী যোগানৰ বাবে এক ব্যৱস্থা গঢ়ি তোলাৰ দিশতো ব্যৱস্থা গ্ৰহণ কৰিবলৈ আজিৰ সভাত নিৰ্দেশ দিয়ে।

ইফালে আজি উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষতে অনুষ্ঠিত আন এক সভাত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয়ক ক'ভিড–১৯ চিকিৎসালয়লৈ ৰূপান্তৰ কৰাৰ পিছত অটল অমৃত অভিযান আৰু প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনাৰ হিতাধিকাৰীসকলক স্বাস্থ্যসেৱাৰ সুবিধা আগবঢ়োৱাৰ

# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

বাবে ৰাজ্য চৰকাৰৰে বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰা ডিব্ৰুগড় জিলাৰ তালিকাভুক্ত ২৫ খন ব্যক্তিগত খণ্ডৰ চিকিৎসালয় কৰ্তৃপক্ষৰে আলোচনাত বহে। ব্যক্তিগত খণ্ডৰ চিকিৎসালয়ৰে আলোচনাৰ অন্তত মুখ্যমন্ত্ৰী সোণোৱালে এই জটিল সময়চোৱাত ৰাইজে যাতে উন্নত মানৰ স্বাস্থ্য সেৱাৰ সুবিধা লাভ কৰে, তাৰ বাবে ৰাজহুৱা আৰু ব্যক্তিগত খণ্ডৰ চিকিৎসা প্ৰতিষ্ঠানসমূহে যুটীয়াভাৱে উৎসৰ্গিত মনোভাৱেৰে কাম কৰিব লাগিব বুলি উল্লেখ কৰে। ইফালে বিগত সময়চোৱাত ৰাজ্য চৰকাৰৰ স্বাস্থ্য বিভাগে কৰ'না ভাইৰাছৰে যুঁজ চলাই নিব পৰাকৈ ৰাজ্যখনৰ জিলাই জিলাই আছুতীয়া ৱাৰ্ড, কোৱাৰেনটাইন কেন্দ্ৰ, নিৰীক্ষণৰ সুবিধা গঠন কৰি জিলাসমূহক বহুখিনি সাজু হৈ তুলিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী সোণোৱালে স্বাস্থ্য সেৱাৰ বাবে উজনি অসমৰ লগতে চুবুৰীয়া ৰাজ্যসমূহো বহু পৰিমাণে ডিব্ৰুগড় জিলাৰ ওপৰত নিৰ্ভৰশীল বুলি উল্লেখ কৰি এই সময়ছোৱাত সকলোকে মানৱ সেৱাৰূপে ৰোগীক চিকিৎসা সেৱা আগবঢ়োৱাৰ প্ৰচেষ্টাত চামিল হোৱাৰ আহ্বান জনায়। এই দিশত ব্যক্তিগত খণ্ডৰ চিকিৎসা প্ৰতিষ্ঠানসমূহ কোনো অসুবিধাৰ সন্মুখীন হ'লে জিলা প্ৰশাসনে উক্ত সমস্যা সমাধানৰ দিশত প্ৰয়াস চলাব বুলিও মুখ্যমন্ত্ৰী সোণোৱালে উল্লেখ কৰে।

আজিৰ সভাত ডিব্ৰুগড়, লাহোৱাল, দুলীয়াজান সমষ্টিৰ বিধায়কসকল ক্ৰমে প্ৰশান্ত ফুকন, ঋতুপৰ্ণ বৰুৱা, তেৰছ গোৱালা , ডিব্ৰুগড় জিলাৰ উপায়ুক্ত পল্লৱ গোপাল ঝা, অসম ৰাজ্যিক গৃহ নিৰ্মাণ পৰিষদৰ উপাধ্যক্ষ সুভাষ দত্ত, জ্যোতি চিত্ৰবন অধ্যক্ষ পবিত্ৰ মাৰ্ঘেৰিটাও উপস্থিত থাকে।

**সুঃমিঃকঃ / স্বাঃডেঃ / পুঃডেঃ**
**১৫/৪/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com

/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in